জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬১/২০২০

**চলিত বৰ্ষৰ ভিতৰত গুৱাহাটী মহানগৰীৰ ৫৫ হাজাৰ পৰিয়াললৈ বিশুদ্ধ খোৱা পানী যোগান ধৰিব গুৱাহাটী উন্নয়ন বিভাগে**

**অহা ১৫ মাৰ্চত প্ৰথম পৰ্যায়ৰ এই পানীযোগান আঁচনিৰ শুভাৰম্ভ কৰিব মুখ্যমন্ত্ৰীয়ে**

**'মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি'ৰ অধীনত ন্যূনতম চাৰি লেচা ভূমিৰ গৰাকীয়েও লাভ কৰিব গৃহ নিৰ্মাণৰ অনুমতি**

**চাৰি লেচাৰ পৰা দহ লেচা ভূমিৰ গৰাকীয়ে অট্টালিকা নিৰ্মাণৰ বাবে তাৎক্ষণিকভাৱে লাভ কৰিব অনুমতি**

**দিছপুৰ, ১১ ফেব্ৰুৱাৰী ঃ** চলিত বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰত গুৱাহাটী মহানগৰীৰ ৫৫ হাজাৰ পৰিয়ালে বিশুদ্ধ খোৱাপানী লাভ কৰিব। প্ৰথম পৰ্যায়ত এই আঁচনিখন অহা ১৫ মাৰ্চত মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিব। আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত গুৱাহাটী উন্নয়ন বিভাগৰ কাম-কাজৰ পৰ্যালোচনা বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

আজিৰ এই বৈঠকত গুৱাহাটী মহানগৰীৰ পানী যোগান প্ৰকল্প সমূহৰ ৰূপায়নৰ কাম-কাজৰ বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত চলি থকা প্ৰকল্প সমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে গুৱাহাটী উন্নয়ন বিভাগৰ শীৰ্ষ বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে পানী যোগান প্ৰকল্পৰ জৰিয়তে মহানগৰীৰ জনসাধাৰণক যাতে সম্পূৰ্ণভাৱে সামৰি ল'ব পৰা যায় তাৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈও সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকতে গুৱাহাটী মহানগৰীৰ গৃহ নিৰ্মাণৰ বিভিন্ন দিশ সমূহো পৰ্যালোচনা কৰা হয়। বৈঠকত গুৱাহাটী উন্নয়ন বিভাগৰ বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে মুখ্যমন্ত্ৰীৰ 'সহজ গৃহ নিৰ্মাণ আঁচনি'ৰ অধীনত এতিয়াৰ পৰা ন্যূনতম চাৰি লেচা ভূমিৰ গৰাকীয়েও গৃহ নিৰ্মাণৰ অনুমতি লাভ কৰিব। তদুপৰি, চাৰি লেচাৰ পৰা দহ লেচা পৰ্যন্ত ভূমিৰ গৰাকীয়ে তাৎক্ষণিকভাৱে অট্টালিকা নিৰ্মাণৰ অনুমতি লাভ কৰিব। বৈঠকত মুখ্যমন্ত্ৰীয়ে গৃহ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ থকা নীতি সমূহ কঠোৰভাৱে ৰূপায়ন কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ ৰাজ্যখন যিহেতু উচ্চ প্ৰাবল্যৰ ভূমিকম্প প্ৰৱণ এলেকাত পৰে সেয়েহে গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ভূমিকম্প প্ৰতিৰোধী স্থাপত্যৰ আৰ্হি অনুসৰণ কৰাটো বাধ্যতামূলক। মহানগৰীত ভৱিষ্যতে নিৰ্মাণ হ'বলগীয়া সকলোবোৰ অট্টালিকাৰ ভূমি মহল বাধ্যতামূলকভাৱে পাৰ্কিঙৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা, অট্টালিকা সমূহত ব্যৱহৃত লিফট্ সমূহৰ উপযুক্ত সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰা, ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৃহ সমূহত দিব্যাংগ সকলৰ সহায়ক হোৱাকৈ উপযুক্ত আন্তঃগাঁথনি

ব্যৱস্থা ৰখা, বৰষুণৰ পানী সংৰক্ষণৰ উপযুক্ত ব্যৱস্থা ৰখা আদি সুনিশ্চিত কৰিবলৈও সংশ্লিষ্ট বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনত থলুৱাভাৱে উৎপাদিত বাঁহ-বেতৰ সামগ্ৰীয়ে যাতে উপযুক্ত সমাদৰ লাভ কৰে তাৰ বাবে গৃহ নিৰ্মাণ কাৰ্যত এই সামগ্ৰী সমূহৰ উপযুক্ত ব্যৱহাৰৰ দিশত জনসাধাৰণক সজাগ আৰু সচেতন কৰি তুলিব পৰাকৈ ব্যৱস্থা লোৱাৰ বাবে গুৱাহাটী উন্নয়ন বিভাগক নিৰ্দেশ দিয়ে। গড়কাপ্তানি গৃহ বিভাগে নিৰ্মাণ কৰা গৃহ সমূহত যাতে বাঁহৰ পৰা উৎপাদিত টাইলছ্, আচবাব আদি ব্যৱহাৰ কৰাটো নিশ্চিত কৰিব পৰা যায় তাৰ বাবে পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত স্মাৰ্ট চিটি প্ৰকল্প ৰূপায়নৰ বিভিন্ন দিশো পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হয়।

বৈঠকত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, গুৱাহাটী উন্নয়ন বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, গুৱাহাটী উন্নয়ন বিভাগৰ শীৰ্ষ বিষয়া, জি এম ডি এ, জি এম চি, জল ব'ৰ্ড, জাইকা, গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্প ৰূপায়নৰ লগত জড়িত বিষয়া প্ৰমুখ্যে উচ্চপদস্থ বিষয়া সকল উপস্থিত থাকে।

**পুঃডেঃ / প্ৰঃবঃ**

১১/০২/২০২০